Total No. of Printed Pages—4

SSPP COLLEGE LIBRARY Namti
Date ..........

**6 SEM TDC DSE ASM (CBCS) 1(H)/2(NH)**

**2025**

( May )

# ASSAMESE

( Discipline Specific Elective )

( For Honours and Non-Honours )

Paper : DSE–1 (H)/2(NH)

**( Introduction to World Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) ভাৰতত ‘বিশ্বসাহিত্য’ পদটো প্ৰথম ব্যৱহাৰ কৰা ব্যক্তিজনৰ নাম কি?

(খ) শকুন্তলা কোন ঋষিৰ পালিতা কন্যা?

(গ) ‘হীৰাৰ হাৰ’ গল্পটোৰ মূল কোন ভাষাৰ?

(ঘ) পাঠ্যপুথিৰ অন্তৰ্গত ‘সময়ৰ সন্তানবোৰ’ কবিতাটোৰ অনুবাদকজনৰ নাম কি?

S.P.P. COLLEGE ... Date ... Shahid Peoli Phukan ...

(ঙ) আফকেৰ গিৰিয়েকৰ নাম কি?

(চ) 'অশ্রুতীর্থ' নাটকৰ সৰযু চৰিত্ৰটোৰ মূল নাটকত কি নাম আছিল?

(ছ) 'অশ্রুতীর্থ' নাটকৰ কাহিনীত জাহ্নবী আৰু যমুনাৰ লগত কাৰ অবৈধ সম্পৰ্ক আছিল?

(জ) 'জীৱন্মৃত' কবিতাটোৰ মূল ইংৰাজী কবিতাটোৰ নাম কি?

(ঝ) 'প্রথম বাসনাৰ গীত'ত কবিয়ে 'পূৰঠ গধূলিটোত' কি হ'বলৈ বিচৰা বুলি কৈছে?

(ঞ) 'মাৰুচী'ৰ ককায়েকৰ নাম কি?

২। (ক) "বিশ্বসাহিত্য ৰচিত হোৱা কোনো বেলেগ দেশ নাই, ভাষা নাই, কোনো বেলেগ সময়ো নাই"—কথাষাৰৰ আধাৰত বিশ্বসাহিত্যৰ স্বৰূপ বিচাৰ কৰা। ১০

*নাইবা*

(খ) বিশ্বসাহিত্যৰ ধাৰণাৰ ক্রমবিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৩। (ক) 'অভিজ্ঞানম্ শকুন্তলম্' নাটকৰ চতুৰ্থ অংকত প্রকৃতিক কেনেদৰে মানৱীয় ৰূপ প্রদান কৰিছে, আলোচনা কৰা। ১৪

*নাইবা*

(খ) আত্মীয় বিচ্ছেদৰ বিৰহ 'অভিজ্ঞানম্ শকুন্তলম্' নাটকত বিশ্বজনীন ৰূপত কেনেদৰে প্রকাশ পাইছে, আলোচনা কৰা।

SPP COLLEGE LIBRARY
Date..................
Sahid Peoli Phukan College, Namti

৪। (ক) 'মাৰুচীৰ স্বপ্ন' গল্পৰ চৰিত্ৰাংকন সম্পৰ্কে এক বিশ্লেষণ আগবঢ়োৱাঁ। ১৪

*নাইবা*

(খ) বাহ্যিকতাসৰ্বস্ব জীৱনৰ অন্তঃসাৰশূন্যতা 'উপহাৰ' গল্পত কেনেদৰে প্ৰকাশ কৰিছে, আলোচনা কৰাঁ।

৫। (ক) 'জীৱন্মৃত' কবিতাটোত আধুনিক মানুহৰ নিঃসঙ্গতাৰ যন্ত্ৰণা কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। ১৪

*নাইবা*

(খ) 'সময়ৰ সন্তানবোৰ' কবিতাত সমাজৰ দুটা শ্ৰেণীৰ ভিন্ন মানসিকতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

৬। (ক) 'অশ্ৰুতীৰ্থ' নাটকত অনুবাদকৰ মৌলিকতা কোন কোন দিশত প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১০

*নাইবা*

(খ) ট্ৰেজেডিৰ নায়ক হিচাপে প্ৰতাপসিংহৰ চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

৭। (ক) "... ইয়াত এজাক ল'ৰা-ছোৱালী আছে দহোটা খলপাৰ এটা দীঘলীয়া খট্‌খটিৰ লেখীয়া, যিবোৰৰ প্ৰত্যেকটোৰে চৰিত্ৰ আপোন আপোন বয়সৰ অভিব্যক্তিৰে মুখৰিত..."
—কথাষাৰৰ আধাৰত 'আফকে'জ টেন' উপন্যাসত থকা শিশু চৰিত্ৰবোৰৰ বিচিত্ৰতা আলোচনা কৰাঁ। ১০

SPP COLLEGE LIBRARY
Date
Namti

নাইবা

(খ) ‘‘পৰিয়ালৰ সদস্যবোৰৰ মাজত মৰম-চেনেহ, আন্তৰিকতা আৰু পাৰস্পৰিক বুজাবুজি থাকিলে চৰম দৰিদ্ৰতাকো জয় কৰিব পাৰি।’’ ‘আফকে’জ টেন’ উপন্যাসৰ আধাৰত কথাষাৰ প্ৰতিপন্ন কৰাঁ।

★★★